# NSD NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 01-06-2025
**Time:** 13-40 Hrs

***Assamese Midday Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::::**

১। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি কলকাতাৰ নিউটাউনত কেন্দ্ৰীয় ফৰেনচিক বিজ্ঞান গৱেষণাগাৰৰ নতুন ভৱন উদ্বোধন কৰে।

২। অপাৰেশ্বন সিন্দূৰ আৰু সন্ত্ৰাসবাদৰ বিৰুদ্ধে থকা ভাৰতৰ নীতিৰ প্ৰচাৰৰ বাবে ৭ টা সৰ্বদলীয় প্ৰতিনিধি দলৰ বিদেশ ভ্ৰমণ অব্যাহত আছে।

৩। উত্তৰ-পূৰ্বাঞ্চলৰ ছখন ৰাজ্যত কেইবাদিনো ধৰি হৈ থকা মজলীয়াৰ পৰা ধাৰাষাৰ বৰষুণৰ বাবে স্বাভাৱিক জীৱন যাত্ৰা বাৰুকৈ ব্যাহত হৈছে।

৪। নভাক জ'ক'ভিছ আৰু বিশ্ব ৰেংকিঙৰ প্ৰথম স্থানত থকা জানিক চিনাৰে ফ্ৰেন্স অপেন টেনিছ প্ৰতিযোগিতাৰ চতুৰ্থ ৰাউণ্ডত প্ৰৱেশ কৰিছে। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া দ্বিতীয়খন কোৱালিফায়াৰত পাঁচবাৰৰ চেম্পিয়ন মুম্বাই ইণ্ডিয়ানছ, পাঞ্জাব কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি কলকাতাৰ নিউটাউনত কেন্দ্ৰীয় ফৰেনচিক বিজ্ঞান গৱেষণাগাৰৰ নতুন ভৱন উদ্বোধন কৰে। উদ্বোধনী ভাষণত শ্ৰীশ্বাহে কয়, যে এই নতুন গৱেষণাগাৰটোৱে পূব আৰু উত্তৰ পূব ভাৰতৰ বহুতো জটিল গোচৰৰ সমাধানত সহায় কৰিব। গৃহমন্ত্ৰীগৰাকীয়ে দুদিনীয়া ভ্ৰমণসূচীৰে যোৱা নিশা কলকাতালৈ আহে। বিমানবন্দৰত তেওঁক বিজেপি নেতা সুভেন্দু অধিকাৰী আৰু দলৰ অন্যান্য নেতাকৰ্মীয়ে আদৰণি জনায়। আজি শ্ৰীশ্বাহে বিজেপিৰ এখন দলীয় সভাত অংশগ্ৰহণ কৰাৰ কথা।

০০০০

অপাৰেশ্বন সিন্দূৰ আৰু সন্ত্ৰাসবাদৰ বিৰুদ্ধে থকা ভাৰতৰ নীতিৰ প্ৰচাৰৰ বাবে ৭ টা সৰ্বদলীয় প্ৰতিনিধি দলৰ বিদেশ ভ্ৰমণ অব্যাহত আছে। প্ৰতিনিধি দলসমূহে বিভিন্ন দেশৰ নেতাক সাক্ষাৎ কৰি সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ শূন্য সহনশীলতা নীতিৰ বিষয়ে অৱগত কৰে। কংগ্ৰেছ সাংসদ শশী ঠাৰুৰে নেতৃত্ব দিয়া প্ৰতিনিধি দলটো আজি ব্ৰাজিলৰ ৰাজধানী ব্ৰাচিলিয়াত উপস্থিত হয়। দলটোক বিমান বন্দৰত ভাৰতীয় কূটনীতিক সন্দিপ কুমাৰ কুজুৰে আদৰণি জনায়। শ্ৰীঠাৰুৰে কয়, যে তেওঁলোকে ব্ৰাজিলৰ সৈতে গঠনমূলক আলোচনাৰ বাবে আগ্ৰহী।

এই ভ্ৰমণকালত প্ৰতিনিধি দলটোৱে ব্ৰাজিলৰ জ্যেষ্ঠ নেতা, সাংসদৰ লগতে ৰাষ্ট্ৰপতিৰ মুখ্য উপদেষ্টা চেলছ' এমোৰিম, বিদেশ মন্ত্ৰালয়ৰ সচিব প্ৰধান মাৰিয়া লৌৰা ডা ৰোছাক সাক্ষাৎ কৰিব।

শিৱসেনাৰ সাংসদ শ্ৰীকান্ত সিন্ধে নেতৃত্বৰ প্ৰতিনিধি দলটো সম্প্ৰতি লাইবেৰিয়াত আছে। এই ৩ দিনীয়া ভ্ৰমণকালত দলটোৱে লাইবেৰিয়াৰ মনৰ'ভিয়াত দেশখনৰ ৰাষ্ট্ৰপতি, নিম্ন সদন, হাউচ অব ৰিপ্ৰেজেনটেটিভৰ অধ্যক্ষ, উচ্চ সদন চিনেটৰ সভাপতি, বৈদেশিক পৰিক্ৰমা মন্ত্ৰীৰ লগতে সংবাদ মাধ্যমৰ প্ৰতিনিধিৰ সৈতে মত বিনিময় কৰিব। শ্ৰীসিন্ধে সংবাদ মাধ্যমক জনাই যে, ভাৰত আৰু লাইবেৰিয়াৰ মাজত অত্যন্ত ভাল দ্বিপাক্ষিক সম্পৰ্ক আছে। তেওঁ লাইবেৰিয়াই সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ শূন্য সহনশীলতাত আস্থা প্ৰকাশ কৰিব বুলি আশা প্ৰকাশ কৰে।

জে দি ইউৰ সাংসদ সঞ্জয় কুমাৰ ঝাই নেতৃত্ব দিয়া সৰ্বদলীয় প্ৰতিনিধি দলটো আজি ইন্দোনেছিয়াৰ সফল ভ্ৰমণ সামৰি মালয়েছিয়াৰ কুৱালালামপুৰত উপস্থিত হয়। প্ৰতিনিধি দলটোৱে কুৱালালামপুৰত মালয়েছিয়াৰ মন্ত্ৰীবৰ্গ, সাংসদসকলৰ উপৰি চিন্তাবিদ, শিক্ষাব্ৰতী আৰু সংবাদ মাধ্যমৰ প্ৰতিনিধিক সাক্ষাৎ কৰিব। তেওঁলোকে দেশখনত থকা প্ৰৱাসী ভাৰতীয়সকলকো ভাৰতৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ নীতিৰ বিষয়ে অৱগত কৰাব। প্ৰতিনিধি দলটোৱে ব্ৰিকফিল্ডছত থকা নেতাজী সুভাস চন্দ্ৰ বসু ভাৰতীয় সাংস্কৃতিক কেন্দ্ৰলৈ গৈ নেতাজীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। তেওঁলোকে নেতাজীৰ নেতৃত্বৰ ইণ্ডিয়ান নেচনেল আৰ্মীৰ বালক সেনাৰ যোদ্ধা এছ পি নাৰায়ণস্বামীকো সাক্ষাৎ কৰে। দলটোৱে সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ নীতিক সমৰ্থন জনোৱা শ্ৰীনাৰায়ণস্বামীক কৃতজ্ঞতা জনায়।

আলজেৰিয়াত বিজেপি সাংসদ বৈজয়ন্ত পাণ্ডাৰ নেতৃত্বৰ সৰ্বদলীয় প্ৰতিনিধি দলটোৱে দেশখনৰ সংবাদ মাধ্যম, চিন্তাবিদ, ভাৰতীয় মূলৰ লোক আৰু আলজেৰিয়াত থকা ভাৰতৰ বন্ধু ভাৱাপন্ন লোকসকলক বিশ্বজুৰি বাঢ়ি অহা সন্ত্ৰাসবাদৰ বিৰুদ্ধে সজাগ কৰাৰ চেষ্টা কৰে। দেশখনৰ বিদেশ মন্ত্ৰালয়ৰ জ্যেষ্ঠ বিষয়াবৰ্গ, নেচনেল কমিউনিটি এব্ৰড আৰু আফ্ৰিকান এফেয়াৰ্ছ অৱ আলজেৰিয়াৰ প্ৰতিনিধিসকলো উপস্থিত থাকে। এই মত বিনিময়ৰ পিছতে পেহেলগামৰ নৃশংস সন্ত্ৰসাবাদীৰ আক্ৰমনত মৃত্যু হোৱাসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰা হয়।

বিজেপি সাংসদ ৰবিশংকৰ প্ৰসাদৰ নেতৃত্বত এটা সৰ্বদলীয় প্ৰতিনিধি দল সম্প্ৰতি ব্ৰিটেইনৰ লণ্ডনত আছে। দলটো ৩ জুনলৈকে ব্ৰিটেইনত থাকিব। এই ভ্ৰমণকালত দলটোৱে হাউচ অৱ কমনছ্ৰ অধ্যক্ষ লিণ্ডছে হ'য়লে', সংসদৰ উভয় সদনৰ সদস্যসকল, সংবাদ মাধ্যমৰ লোক, চিন্তাবিদ আৰু প্ৰৱাসী ভাৰতীয় প্ৰতিনিধিৰ সৈতে মত বিনিময় কৰিব।

ডি এম কে সাংসদ কে কানিমোঝিৰ নেতৃত্বত যোৱা এটা সৰ্বদলীয় দল স্পেইনৰ ৰাজধানী মাদ্ৰিদত উপস্থিত হৈছে। দুদিনীয়া ভ্ৰমণকালত প্ৰতিনিধি দলটোৱে স্পেইন চৰকাৰৰ মন্ত্ৰীসকলৰ লগতে প্ৰৱাসী ভাৰতীয় আৰু অসামৰিক ক্ষেত্ৰৰ প্ৰতিনিধিসকলক ভাৰতৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূন্য সহনশীলতা নীতিৰ বিষয়ে অৱগত কৰিব।

এন চি পি শাৰদ পাৱাৰ গোটৰ সাংসদ সুপ্ৰিয়া সুলেৰ নেতৃত্বৰ প্ৰতিনিধি দলটোৱে সম্প্ৰতি ইথিওপিয়া ভ্ৰমণ কৰিছে। তাত তেওঁলোকে দেশখনৰ শীৰ্ষ আইনজীৱী, কূটনীতিবিদ আৰু আফ্ৰিকান ইউনিয়ন কমিচনৰ প্ৰতিনিধিসকলৰ সৈতে মত বিনিময় কৰে। এই বৈঠকত প্ৰতিনিধি দলটোৱে সীমান্তৰ সিপাৰৰ পৰা ভাৰতত চলি থকা সন্ত্ৰাসবাদৰ বিষয়ে ব্যাখ্যা কৰে। তেওঁলোকে অপাৰেচন সিন্দূৰৰ বিভিন্ন দিশতো আলোকপাত কৰে। ইথিওপিয়াই তেওঁলোকৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে থকা নিজা শূন্য সহনশীলতা নীতিৰ বিষয়ে কয় আৰু পেহেলগামৰ

আক্ৰমণৰ ঘটনাক গৰিহণা দিয়ে। প্ৰতিনিধি  দলটোৱে ইথিওপিয়াত থকা ভাৰতীয় লোকসকলৰ সৈতেও মত বিনিময় কৰে।

০০০০

ভাৰতৰ বতৰ বিজ্ঞান বিভাগ, আই এম ডিয়ে দিয়া বতৰৰ আগজাননী অনুসৰি আজি অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, ত্ৰিপুৰা আৰু মিজোৰামৰ বিভিন্ন স্থানত প্ৰবল বৰষুণ হোৱাৰ সম্ভাৱনা আছে। বতৰ বিজ্ঞান বিভাগৰ মতে দিল্লীৰ লগতে হিমাচল প্ৰদেশ, উত্তৰাখণ্ড, পঞ্জাব, হাৰিয়ানা আৰু চণ্ডিগড়ত ৪ জুন পৰ্যন্ত গাজনি ঢেৰেকনিৰে পাতলীয়া বৰষুণ হোৱাৰ লগতে প্ৰবল বতাহ বলাৰ সম্ভাৱনা আছে। বিদৰ্ভ, চত্তিশগড়, পশ্চিমবংগৰ গংগা অৱবাহিকা অঞ্চল, ঝাৰখণ্ড, ওড়িশা, মধ্যপ্ৰদেশ আৰু বিহাৰত গাজনি ঢেৰেকনি, প্ৰবল বতাহৰ লগতে বজ্ৰপাত হোৱাৰ সম্ভাৱনা বতৰ বিজ্ঞান  বিভাগে ব্যক্ত কৰিছে। একেদৰে আগজাননী অনুসৰি কেৰালা, মাহে, কৰ্ণাটক আৰু অন্ধ্ৰপ্ৰদেশতো গাজনি ঢেৰেকনি, বজ্ৰপাত আৰু প্ৰবল বতাহ হোৱাৰ সম্ভাৱনা আছে। সৌৰাষ্ট্ৰ আৰু কচ্চৰ কেতবোৰ স্থানতো প্ৰবল বতাহ বলাৰ সম্ভাৱনা ব্যক্ত কৰিছে বতৰ বিজ্ঞান বিভাগে।

০০০০

উত্তৰ-পূৰ্বাঞ্চলৰ ছখন ৰাজ্যত কেইবাদিনো ধৰি হৈ থকা মজলীয়াৰ পৰা ধাৰাষাৰ বৰষুণৰ বাবে স্বাভাৱিক জীৱন যাত্ৰা বাৰুকৈ ব্যাহত হৈছে। অঞ্চলটোত বিগত ২৪ ঘণ্টাত বৰষুণৰ ফলত হোৱা ভূমিস্খলন, ঘৰ খহি পৰা আৰু ডুব যোৱাৰ ফলত ২৭ গৰাকী লোকে প্ৰাণ হেৰুৱাইছে। ইয়াৰে ভিতৰত অৰুণাচল প্ৰদেশত ৯ গৰাকী, মেঘালয়ত ৬ গৰাকী, অসম আৰু মিজোৰামত ৫ গৰাকীকৈ আৰু ত্ৰিপুৰা আৰু নাগালেণ্ডত এগৰাকীকৈ লোক নিহত হৈছে। বংগোপসাগৰত সৃষ্টি নিম্ন চাপৰ বাবে হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্যত পথ যোগাযোগ ব্যাহত হৈছে।

গৃহ পৰিক্ৰমা মন্ত্ৰ্যালয়ে জাৰি কৰা পৰামৰ্শ অনুসৰি পশ্চিমবংগ-বাংলাদেশৰ উপকূলভাগৰ সমীপৰ বংগোপসাগৰৰ উত্তৰ-পশ্চিম  অংশত সৃষ্টি হোৱা এই গভীৰ নিম্ন চাপ উত্তৰৰ দিশে অগ্ৰসৰ হৈছে আৰু পশ্চিমবংগ তথা বাংলাদেশৰ উপকূলভাগ অতিক্ৰম কৰিছে। ইয়াৰ প্ৰভাৱত উত্তৰ-পূৰ্বাঞ্চলৰ অধিকাংশ ৰাজ্যত ধাৰাষাৰ বৰষুণ হোৱা বুলি মন্ত্ৰ্যালয়ে প্ৰকাশ কৰিছে।

ইপিনে, ভাৰতীয় বতৰ বিজ্ঞান বিভাগে পৰৱৰ্তী দুই-তিনি দিনত দেশৰ পূব, পশ্চিম, মধ্য আৰু উত্তৰ-পূব অংশত ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি আগলী বতৰা দিছে। বিভাগটোৱে লগতে অসম, ছিকিম, মেঘালয়, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু পশ্চিমবংগৰ হিমালয়ৰ পাদদেশৰ এলেকাসমূহত কাইলৈ পৰ্যন্ত বৰষুণ হ'ব পাৰে বুলি প্ৰকাশ কৰিছে।০০০০০

০০০০

নভাক জ'ক'ভিছ্ আৰু বিশ্ব ৰেংকিঙৰ প্ৰথম স্থানত থকা  জানিক চিনাৰে ফ্ৰেন্স অপেন টেনিছ প্ৰতিযোগিতাৰ চতুৰ্থ ৰাউণ্ডত প্ৰৱেশ কৰিছে। দুয়োগৰাকী খেলুৱৈ যোৱা নিশা নিজৰ নিজৰ খেলত জয়লাভেৰে চতুৰ্থ ৰাউণ্ডত প্ৰৱেশ কৰে। খেলুৱৈ জীৱনৰ ২৫ সংখ্যক গ্ৰেণ্ডশ্লাম বিজয়ৰ লক্ষ্যৰে ফ্ৰেন্স অপেনত প্ৰতিদ্বন্দিতা কৰা নভাক জ'ক'ভিছে অষ্ট্ৰেলিয়াৰ ফিলিপ মিছ্'লিকক ৬-৩, ৬-৪, ৬-২ ছেটত পৰাস্ত কৰে। তেওঁ কোৱাৰ্টাৰ ফাইনেলত ব্ৰিটেইনৰ কেমেৰ'ন নুৰিৰ বিৰুদ্ধে খেলিব। আনহাতে, জানিক চিনাৰে চেকোশ্লোভাকিয়াৰ জিৰি লেহেকাক ৬-০,

৬-১, ৬-২ ছেটত পৰাস্ত কৰে। ইটালীৰ খেলুৱৈগৰাকীয়ে যোৱা বছৰ ইউ এছ অপেন আৰু চলিত বছৰৰ অষ্ট্ৰেলিয়ান অপেন জয় কৰিছিল। পৰৱৰ্তী খেলত জানিক চিনাৰ ৰাছিয়াৰ আন্দ্ৰে ৰুবলেভৰ মুখামুখি হ'ব।

প্ৰতিযোগিতাৰ তৃতীয় বাচনিৰ তথা বিগত বৰ্ষৰ ৰানাৰ্ছ আপ আলেকজেণ্ডাৰ জেভেৰভে -ফ্লেভিঅ' ক'ব'লিক ৬-২, ৭-৬, ,৬-১ ছেটত পৰাস্ত কৰে। মহিলাৰ শাখাত মেডিচন কিজে ছোফিয়া কেনিনৰ বিৰুদ্ধে ৪-৬, ৬-৩, ৭-৫ ছেটত বিজয় সাব্যস্ত কৰে। আমেৰিকাৰ ক'ক' গৌফ, জেচিকা পেগুলা আৰু হেইলি বাপ্তিষ্টেও পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰিছে।

আজি যোৱাবাৰৰ ছেম্পিয়ন কাৰ্লোছ আলকাৰাজে - বেন শ্বেলটনৰ বিৰুদ্ধে খেলিব। আজি হ'বলগীয়া মহিলাৰ এখন গুৰুত্বপূৰ্ণ খেলত ইগা চুয়াটেকে - প্ৰাক্তন উইম্বলডন বিজয়ী ইলিনা ৰিবাকিনাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া দ্বিতীয়খন কোৱালিফায়াৰত পাঁচবাৰৰ চেম্পিয়ন মুম্বাই ইণ্ডিয়ানছ, পাঞ্জাব কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। এই খেলখনত জয়লাভ কৰা দলটো মঙলবাৰে একেখন ষ্টেডিয়ামত হ'বলগীয়া ফাইনেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ সন্মুখীন হ'ব। মুম্বাই ইণ্ডিয়ানছে বৰ্তমানলৈকে পাঁচবাৰ আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ খিতাপ দখল কৰিছে। ইয়াৰ বিপৰীতে পাঞ্জাবে প্ৰতিযোগিতাৰ ইতিহাসত প্ৰথমবাৰৰ বাবে খিতাপ অৰ্জনৰ চেষ্টা চলাব।

০০০০

সমাপ্ত